# অসম আদিত্য

RNI REGN. No. :
epaper.as
Portal : www
e-mail : asom

৯ ফাগুন, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২২ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, February 22, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত



আলজাইমা
ৰোগ, ই স্মৃতি
ডালিমৰ ৰস
পৰা পৰিত্ৰা


লজত
পালন



মনোহাৰী দেৱী
উদ্যোগত আৰু
তিক মাতৃভাষা
লৈ ব্যক্তিৰূপে
গাবিন চাংমাই।
মহাবিদ্যালয়ৰ
া দিৱস পালনৰ
সকলক অৱগত
কীয় চমু ভাষণত
ক ড০ শেখৰ
ভ্যতা, সংস্কৃতি
। আন্তৰ্জাতিক
সকলৰ মাজত

# কানৈ মহাবিদ্যালয়ত জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ সজাগতা কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২১ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত 'টেঙা প্ৰজাতি উদ্ভিদত দেখা দিয়া বিভিন্ন ৰোগসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়' শীৰ্ষক এক এদিনীয়া সজাগতা কাৰ্যসূচী ধেমাজি জিলাৰ অন্তৰ্গত কমাৰ গাঁৱত ২০ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটিত ধেমাজি জিলাৰ বহুকেইখন গাঁৱৰ বিভিন্ন টেঙা উৎপাদনৰ লগত জড়িত কৃষকসকল উপস্থিত থাকে। কানৈ মহাবিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ আৰাধনা প্ৰিয়ম্বদা ভূঞাৰ তত্বাৱধানত কানৈ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ কনিষ্ঠ গৱেষিকা মধুস্মিতা কোঁৱৰে 'টেঙা প্ৰজাতি উদ্ভিদত দেখা দিয়া বিভিন্ন ৰোগসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়' বিষয়ত সজাগতা কাৰ্যসূচীটি ৰূপায়ণ কৰে। কোঁৱৰে টেঙা প্ৰজাতি উদ্ভিদত প্ৰধানকৈ কাজিনেমু খেতিৰ সহজ কৃষি প্ৰণালী, উদ্ভিদত দেখা দিয়া বিভিন্ন ৰোগ, অনিষ্টকাৰী পোক-পতংগ আৰু অত্যাৱশ্যকীয় মৌলসমূহৰ অভাৱৰ লক্ষণসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় বিষয়ে কৃষকসকলৰ লগত মত-বিনিময় কৰে। সজাগতা কাৰ্যসূচীৰ শেষৰফালে মধুস্মিতা কোঁৱৰে কিদৰে ঘৰুৱাভাৱে টেঙা উদ্ভিদৰ ৰোগ নিৰাময়ৰ ক্ষেত্ৰত বৰ'ড পেষ্ট প্ৰস্তুত কৰিব পাৰি তাৰ এক সহজ পদ্ধতি কৃষকসকলৰ লগত আলোচনা কৰাৰ লগতে মাটিৰ পৰীক্ষাৰ বাবে মাটিৰ নমুনা সংগ্ৰহ কৰে। কৃষকসকলৰ সুবিধাৰ্থে ড০ আৰাধনা প্ৰিয়ম্বদা ভূঞাৰ সহযোগত মধুস্মিতা কোঁৱৰে 'টেঙা প্ৰজাতি উদ্ভিদত দেখা দিয়া বিভিন্ন ৰোগসমূহ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়' নামৰ হাতপুথিখন প্ৰস্তুত কৰি কৃষকসকলৰ মাজত বিতৰণ কৰে। কাৰ্যসূচীখনি সফল কৰি তোলাৰ ক্ষেত্ৰত কানৈ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ পৰীক্ষাগাৰ সহকাৰী নিকিতা দত্তই বিশেষভাৱে সহায় কৰে। উল্লেখ্য যে ভৱিষ্যত পৰ্যায়ত কানৈ মহাবিদ্যালয়ৰ জৈৱ প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত কৃষকসকলৰ মাজত এনেধৰণৰ আৰু অধিক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ পৰিকল্পনা কৰা হৈছে।

